# NSD NEWS UNIT
## ALL INDIA RADIO, GUWAHATI

0000000000

Date : 22-12-2025

**Time :** 1340 Hrs.

### Headlines

ooooooooooo

১। ভৱিষ্যতৰ পৃথিৱীত কৃত্ৰিম বুদ্ধিমত্তাৰ শক্তিৰ প্ৰয়োগক লৈ নীতি নিৰ্দ্ধাৰণৰ দিশত ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলন অতিশয় গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মত প্ৰকাশ কৰিছে।

২। মন কী বাত অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীয়ে পবিত্ৰ ৰমজান মাহ আৰু হোলী উপলক্ষে দেশৰ জনসাধাৰণক শুভকামনা জনাই সকলোৱে আনন্দৰে এই উৎসৱ পালন কৰিব বুলি আশা প্ৰকাশ কৰে।

৩। নিৰ্বাচন আয়োগে অহা মঙলবাৰে নতুন দিল্লীত নিৰ্বাচন আয়োগ আৰু ৰাজ্যিক নিৰ্বাচনী আয়ুক্তসকলৰ এখন ৰাষ্ট্ৰীয় সন্মিলনৰ আয়োজন কৰিছে।

৪। অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ প্ৰাক্তন সভাপতি ভূপেন কুমাৰ বৰাই আজি গুৱাহাটীত আয়োজিত এটা অনুষ্ঠানত বিজেপিত যোগদান কৰে।

আৰু

৫। টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ত আজি ভাৰত, দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooo

ভৱিষ্যতৰ পৃথিৱীত কৃত্ৰিম বুদ্ধিমত্তাৰ শক্তি কিদৰে প্ৰয়োগ কৰা হ'ব সেই বিষয়ত নীতি নিৰ্দ্ধাৰণৰ দিশত ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলন অতিশয় গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইদৰে মত প্ৰকাশ কৰি বিষয়টোক লৈ গৌৰৱ ব্যক্ত কৰে। আকাশবাণীৰ মন কী বাত অনুষ্ঠানত দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰি শ্ৰীমোদীয়ে, নতুন দিল্লীৰ ভাৰত মণ্ডপমত আয়োজিত এই শীৰ্ষ সন্মিলনত ভিন ভিন দেশৰ নেতাৰ লগতে ঔদ্যোগিক খণ্ডৰ গুৰুত্বপূৰ্ণ ব্যক্তি, উদ্ভাৱক আৰু ষ্টাৰ্ট আপ খণ্ডৰ সৈতে জড়িত ব্যক্তিসকল সমবেত হোৱাৰ বিষয়টোলৈ আঙুলিয়াই দিয়ে। এই বিশেষ অনুষ্ঠানটোৱে বিশ্বৰ নেতাসকল আৰু প্ৰযুক্তি খণ্ডৰ মুখ্য কাৰ্যবাহী বিষয়াসকলে পৰস্পৰৰ সৈতে মত বিনিময় কৰাৰ সুযোগ লাভ কৰা বুলিও তেওঁ লগতে উল্লেখ কৰে। এই শীৰ্ষ সন্মিলনৰ প্ৰদৰ্শনীত বিশ্বৰ নেতাসকলক তেওঁ ভালেমান বিষয় প্ৰদৰ্শন কৰা বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে এইসমূহৰ মাজত বিশেষকৈ আমূল বুথ আৰু সুশ্ৰুত সংহিতা এই দুটা বিষয়ে বিশ্বৰ নেতাসকলক ব্যাপকভাৱে প্ৰভাৱিত কৰে। আমূলৰ বুথৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে এই বুথত পশুপালকসকলে কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে তেওঁলোকৰ দুগ্ধপাম আৰু প্ৰতিটো পশুৰ ওপৰত দিনটোৰ সকলো সময়তে কেনেদৰে চকু ৰাখিব পাৰে সেই বিষয়ে বিতংভাৱে ব্যাখ্যা কৰা হৈছে।

একেদৰে ভাৰতবৰ্ষৰ সংস্কৃতিয়ে সমগ্ৰ বিশ্বৰ নেতৃস্থানীয় লোকসকলৰ দৃষ্টি আকৰ্ষণ কৰা বুলি উল্লেখ কৰি তেওঁ কয় যে কৃত্ৰিম বুদ্ধিমত্তাৰ সহায় লৈ ভাৰতত প্ৰাচীন পুথি-পাঁজি, জ্ঞান আৰু হস্তলিপিসমূহ সংৰক্ষণ কৰাৰ প্ৰক্ৰিয়াই তেওঁলোকক হতচকিত কৰি তোলে। এই বিষয়টোৰ উদাহৰণ হিচাপে সুশ্ৰুত সংহিতাৰ আৰ্হি প্ৰদৰ্শন কৰা হৈছিল বুলিও তেওঁ জানিবলৈ দিয়ে।

এই শীৰ্ষ সন্মিলনৰ জৰিয়তে বিশ্বৰ নেতাসকলে কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰখনত ভাৰতৰ সামৰ্থ্যৰ বিষয়ে উমান পোৱা বুলি উল্লেখ কৰি তেওঁ কয় যে এই সময়খিনিতেই ভাৰতে কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে প্ৰস্তুত কৰা তিনিটা মেড ইন ইণ্ডিয়া প্ৰকল্পৰ আৰ্হিও মুকলি কৰে। শেহতীয়া এই শীৰ্ষ সন্মিলনখনক কৃত্ৰিম বুদ্ধিমত্তা বিষয়ৰ সৰ্ববৃহৎ সন্মিলন বুলি অভিহিত কৰি ইয়াৰ সফলতাৰ বাবে তেওঁ দেশৰ প্ৰতিগৰাকী নাগৰিককে অভিনন্দন জনায়।

সম্প্ৰতি চলি থকা টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বিষয়ে উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে ভাৰতীয় মূলৰ বহুকেইগৰাকী খেলুৱৈয়ে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে। কানাডাৰ দলটোত ভাৰতীয় মূলৰ সৰ্বাধিক সংখ্যক খেলুৱৈয়ে ভাগ লোৱা বুলি উল্লেখ কৰি তেওঁ কয় যে দলটোৰ অধিনায়ক দিলপ্ৰীত বাজৱাৰ জন্ম পঞ্জাৱৰ গুৰদাসপুৰত। একেদৰে দলৰটোৰ আন এগৰাকী খেলুৱৈ নৱনীত ধালিৱালৰ ঘৰ চণ্ডীগড়ত বুলি তেওঁ প্ৰকাশ কৰে। একেখন তালিকাত স্থান পোৱা হৰ্ষ ঠাকৰ আৰু শ্ৰেয়াছ মোৱাৰ দৰে খেলুৱৈসকলে একে সময়তে কানাডাৰ লগতে ভাৰতৰো নাম উজলোৱা বুলি প্ৰধানমন্ত্ৰী মোদীয়ে মত প্ৰকাশ কৰে। আমেৰিকাৰ দলটোৰ অধিনায়ক মোনাংক পেটেলে ইয়াৰ পূৰ্বে গুজৰাটৰ ১৬ বছৰ আৰু ১৮ বছৰ অনুৰ্ধ দলৰ হৈ খেলাৰ বিষয়ে উল্লেখ কৰাৰ লগতে এই প্ৰসঙ্গত তেওঁ দলটোৰ বহুকেইগৰাকী খেলুৱৈয়ে ভাৰতৰ ঘৰুৱা ক্ৰিকেটৰ জৰিয়তে আগবাঢ়ি যোৱা বুলি প্ৰকাশ কৰে। একেদৰে মুম্বাইৰ পৰা খেলিবলৈ আৰম্ভ কৰা সৌৰভ, দিল্লীৰ পৰা খেলিবলৈ আৰম্ভ কৰা হৰমিত সিং আৰু মিলিন্দ কুমাৰৰ দৰে খেলুৱৈসকল আমেৰিকাৰ দলটোৰ গৌৰৱ হিচাপে উদ্ভাসিত হৈ উঠাক লৈও তেওঁ সন্তোষ ব্যক্ত কৰে।

আজিৰ মন কী বা অনুষ্ঠানত অংগদানেৰে জনসেৱাৰ বিৰল নিদৰ্শন দাঙি ধৰা কেৰালাৰ আলিন শ্বেৰিন আব্ৰাহাম নামৰ ১০ মহীয়া কন্যা শিশুটিৰ পিতৃ-মাতৃকো ভূয়সী প্ৰশংসা কৰি কয় যে ভাৰতত অংগদানৰ বিষয়টোক লৈ সম্প্ৰতি সজাগতা বৃদ্ধি পাইছে।

প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে একোটা মহৎ কাৰ্যই অগণন লোকৰ জীৱন সলনি কৰিব পাৰে। এনে কাৰ্য হাতত লোৱাসকলক তেওঁ ভূয়সী প্ৰশংসা কৰে। কাইলৈ ৰাষ্ট্ৰপতি ভৱনত উদযাপন কৰিবলগীয়া ৰাজাজী উৎসৱত স্বাধীন ভাৰতৰ প্ৰথমগৰাকী গভৰ্ণৰ জেনেৰেল চি ৰাজাগোপালাচাৰীৰ এটা প্ৰতিমূৰ্তি মুকলি কৰা হ'ব। প্ৰধানমন্ত্ৰীয়ে ৰাজাগোপালাচাৰীক ক্ষমতাৰ বাবে নহয়, সেৱাৰ মনোভাৱেৰে কাম কৰা ব্যক্তি বুলি প্ৰশংসা কৰে। স্বাধীনতাৰ পিছতো ৰাষ্ট্ৰপতি ভৱনত ব্ৰিটিছ প্ৰশাসকৰ মূৰ্তিৰ বিপৰীতে ভাৰতৰ মহান সন্তানসকলে স্থান নোপোৱাটো দুৰ্ভাগ্যজনক বুলি আখ্যা দিয়ে। ৰাষ্ট্ৰপতি ভৱন প্ৰাংগণত থকা এগৰাকী ব্ৰিটিছ স্থপতি এডুইন লুইটেন্সৰ মূৰ্তিৰ স্থানত ৰাজাজীৰ মূৰ্তি স্থাপন কৰা হ'ব। তদুপৰি ২৪ ফেব্ৰুৱাৰীৰ পৰা ১ মাৰ্চলৈ অনুষ্ঠিত এই ৰাজাজী উৎসৱত চি ৰাজাগোপালাচাৰীৰ বিষয়ে এখন প্ৰদৰ্শনীও অনুষ্ঠিত হ'ব।

ডিজিটেল এৰেষ্ট সন্দৰ্ভত পূৰ্বে মন কী বাতত উল্লেখ কৰাৰ পিছৰ পৰা ডিজিটেল এৰেষ্ট আৰু ডিজিটেল জালিয়াতি সন্দৰ্ভত সমাজত ভালেখিনি সজাগতা বৃদ্ধি পোৱা বুলিও প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে। তেওঁ লগতে এনে ঘটনা এতিয়াও সংঘটিত হৈ আছে আৰু এয়া ক্ষমাহীন বুলি উল্লেখ কৰে। এই জালিয়াতিৰ আশ্ৰয় লোৱাসকলে সাধাৰণতে নিৰীহ লোকসকলক লক্ষ্য কৰি লয়। সেয়েহে শ্ৰোতাসকলক প্ৰধানমন্ত্ৰীয়ে এনে ভুৱা ফোনকল, এছ এম এছ আৰু লিংকৰ বিষযে সজাগ হৈ থাকিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে জনসাধাৰণক কে ৱাই চি, ৰি কে ৱাই চি কেৱল বেংকৰ শাখা, অফিচিয়েল এপ' আৰু দায়িত্বৱাহীসকলকহে প্ৰদান কৰিবলৈ কয়। তেওঁ অ টি পি, আধাৰ নম্বৰ বা বেংকৰ সৱিশেষ যিকোনো লোককে প্ৰদান নকৰিবলৈ আহ্বান জনায়। তদুপৰি তেওঁ নাগৰিকক সময়ে সময়ে পাছৱৰ্ড সলনি কৰিবলৈ পৰামৰ্শ দিয়ে। প্ৰধানমন্ত্ৰীয়ে ভাৰতীয় ৰিজাৰ্ভ বেংকে এই সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবে শেহতীয়াকৈ Fiancial literacy week অনুষ্ঠিত কৰাৰ বিষয়েও উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে দেশৰ কৃষকসকলক প্ৰশংসা কৰি কয়, যে কৃষকসকলে এতিয়া কেৱল উৎপাদনতে মনোনিৱেশ কৰা নাই লগতে উৎপাদিত সামগ্ৰীৰ মান, মূল্যাংকন আৰু নতুন বজাৰতো গুৰুত্ব আৰোপ কৰিছে। এই ক্ষেত্ৰত তেওঁ ওড়িশাৰ হিৰোদ পেটেল নামৰ লোকজনৰ উদাহৰণ দাঙি ধৰে। এই ডেকা কৃষকজনে কৃষিক নতুন সম্ভাৱনাৰ দিশলৈ লৈ যোৱা বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। কৃষকজনে পুখুৰীত মীন পালন কৰাৰ সমান্তৰালকৈ ইয়াৰ ওপৰত জালি দি বিভিন্ন খেতি কৰাৰ লগতে চৌপাশে কল, নাৰিকল আদিৰো খেতি কৰিছে। যাৰফলত ভূমিৰ উচিত ব্যৱহাৰ, জল সংৰক্ষণ আৰু অতিৰিক্ত উপাৰ্জনো হৈছে। আন কৃষকসকলকো এই আৰ্হিয়ে আকৰ্ষণ কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে কয়। তদুপৰি প্ৰধানমন্ত্ৰী মোদীয়ে নিজৰ বক্তব্যত কেৰালাৰ ঠাৰিচোৰ জিলাৰ এখন পথাৰত ৫৭০ বিধ প্ৰজাতিৰ ধান উৎপাদন কৰাৰ কথাও উল্লেখ কৰে। এই প্ৰজাতিসমূহত স্থানীয়, ভাৰ্বেল আৰু আন জিলাৰ পৰা অনা ধানো অন্তৰ্ভুক্ত হৈছে। শস্য সংৰক্ষণৰ এয়া এক বৃহৎ পদক্ষেপ বুলিও তেওঁ কয়। ভাৰতৰ কৃষকৰ কঠোৰ শ্ৰম বৰ্তমান পৰিসংখ্যাত প্ৰতিফলিত হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে ভাৰত বৰ্তমান চাউল উৎপাদনৰ ক্ষেত্ৰত বিশ্বৰ ভিতৰতে বৃহত্তম উল্লেখ কৰে।

শ্ৰীমোদীয়ে কৃষি সামগ্ৰীসমূহ বৰ্তমান বিমানযোগে সহজে বিদেশী ৰাষ্ট্ৰলৈ প্ৰেৰণ কৰিব পৰা কাৰ্যতো সন্তোষ প্ৰকাশ কৰে। তেওঁ কৰ্ণাটকৰ নাঞ্জানগুড় কল, মহীশূৰৰ পাণ আৰু ভাৰতীয় নেমু মালদ্বীপলৈ ৰপ্তানিৰ বিষয়ে উল্লেখ কৰে। এই সামগ্ৰীসমূহ ইয়াৰ সোৱাদ আৰু গুণাগণৰ বাবে জনাজাত হোৱাৰ লগতে এইবোৰে ইতিমধ্যে ভৌগলিক সূচ্যাংক লাভ কৰিছে বুলিও তেওঁ কয়। আজিৰ কৃষকে গুণাগণক প্ৰাধান্য দিয়াৰ লগতে নিজৰ উৎপাদন বৃদ্ধি আৰু সুনাম অৰ্জন কৰিবলৈ সমৰ্থ্য হৈছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে।

প্ৰধানমন্ত্ৰীয়ে কেৰালাৰ তিৰুনাভায়াৰ ভৰতপুঝ নদীৰ পাৰত পালন কৰি অহা পুৰণি পৰম্পৰা **মমংগম**ৰ বিষয়ে উল্লেখ কৰি এই মহোৎসৱ প্ৰায় আঢ়েশ বছৰ ধৰি পূৰ্বৰ গৰিমাৰে উদযাপিত নোহোৱাক লৈ দুখ ব্যক্ত কৰাৰ লগতে কেৰালাকুম্ভ হিচেপেও জনাজাত এই মহোৎসৱ এইবেলি সফলতাৰে উদযাপন কৰা কাৰ্যত সন্তুষ্টি প্ৰকাশ কৰে। একে সময়তে পৱিত্ৰ ৰমজান মাহ আৰু হোলী উপলক্ষে প্ৰধানমন্ত্ৰীগৰাকীয়ে সকলোকে শুভকামনা জনোৱাৰ লগতে জনসাধাৰণে পৰিয়ালৰ লোকৰ সৈতে আনন্দৰে এই উৎসৱ পালন কৰিব বুলিও আশা প্ৰকাশ কৰে।

০০০০০

নিৰ্বাচন আয়োগে অহা মঙলবাৰে নতুন দিল্লীত নিৰ্বাচন আয়োগ আৰু ৰাজ্যিক নিৰ্বাচনী আয়ুক্তসকলৰ এখন ৰাষ্ট্ৰীয় সন্মিলনৰ আয়োজন কৰিছে। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে এই সন্মিলনত অধ্যক্ষতা কৰিব বুলি নিৰ্বাচন আয়োগে এখন বিবৃতি যোগে প্ৰকাশ কৰিছে। এই সন্মিলনত ৰাজ্যিক নিৰ্বাচনী বিষয়াসমূহৰ লগতে প্ৰতিখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ আইনী আৰু প্ৰযুক্তিগত বিশেষজ্ঞসকলে অংশগ্ৰহণ কৰিব। নিৰ্বাচন আয়োগ আৰু ৰাজ্যিক নিৰ্বাচনী বিষয়াসকলে নিৰ্বাচনী প্ৰক্ৰিয়াক উপযুক্ত সন্মান প্ৰদৰ্শনেৰে নিজ নিজ আইনী কাঠামোৰ ভিতৰত সহযোগিতা লাভ কৰাই এই সন্মিলনৰ মূল উদ্দেশ্যে। আয়োগে প্ৰকাশ কৰা অনুসৰি দিনজোৰা এই সন্মিলনত ই ভি এম আৰু ভোটাৰ তালিকা, প্ৰযুক্তিগত বিনিময় আদি সন্দৰ্ভত আলোচনা কৰাৰ লগতে নিৰ্বাচনী প্ৰক্ৰিয়াক শক্তিশালী কৰি তোলা সম্পৰ্কে আলোচনা কৰা হ'ব।

০০০০০

অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ প্ৰাক্তন সভাপতি ভূপেন কুমাৰ বৰাই আজি গুৱাহাটীত আয়োজিত এটা অনুষ্ঠানত আনুষ্ঠানিকভাৱে বিজেপিত যোগদান কৰে। এই অনুষ্ঠানত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াও উপস্থিত থাকে।

তিনি দশকৰো অধিক কাল ধৰি ভাৰতীয় জাতীয় কংগ্ৰেছৰ সৈতে জড়িত হৈ থকা অসমৰ প্ৰবীণ ৰাজনৈতিক নেতা ভূপেন কুমাৰ বৰাই অলপতে কংগ্ৰেছ দল ত্যাগ কৰিছিল। ২০০৬ আৰু ২০১৬ চনৰ নিৰ্বাচনত বিহপুৰীয়া সমষ্টিৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হৈ বিধানসভাত সমষ্টিটোক প্ৰতিনিধিত্ব কৰা বৰাই ২০১৬ আৰু ২০২১ বৰ্ষৰ নিৰ্বাচনত বিজেপি প্ৰাৰ্থীৰ বিৰুদ্ধে পৰাজয় বৰণ কৰিছিল।

০০০০০

লণ্ডনৰ ৰয়েল ফেষ্টিভেল হলত আজি নিশা ২০২৬ বৰ্ষৰ বাফটা ফিল্ম এৱাৰ্ড কাৰ্যসূচী অনুষ্ঠিত হ'ব। এই অনুষ্ঠান ৱাফটাৰ অফিচিয়েল ইউ টিউব চেনেল যোগে প্ৰচাৰ কৰা হ'ব। **ৱান ৱেটেল আফটাৰ আনাডাৰ** নামৰ ছবিখনে ১৪টা মনোনয়নেৰে শীৰ্ষ স্থান লাভ কৰাৰ লগতে **চীনাৰ্ছে** ১৩টা আৰু **হেমনেট** আৰু **মাৰ্কি ছুপ্ৰিমে** ১১টাকৈ মনোনয়ন লাভ কৰিছে। এই উৎসৱত ভাৰতীয় ছবি **বুঙে** শ্ৰেষ্ঠ শিশু আৰু চলচ্চিত্ৰ শিতানত মনোনয়ন লাভ কৰিছে। উল্লেখযোগ্য যে, মণিপুৰী ভাষাৰ এই ছবিখনৰ পৰিচালক লক্ষ্মীপ্ৰিয়া দেৱী আৰু প্ৰযোজক ৰিতেশ সিদ্ধৱানী আৰু ফাৰহান আখতাৰ।

০০০০০

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ নিজৰ প্ৰথমখন খেলত আজি ভাৰত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এই খেলখন আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰতে লীগ পৰ্যায়ত চাৰিওখন খেলৰ আটাইকেইখনতে জয় লাভ কৰি নিজৰ গ্ৰুপৰ পইণ্ট তালিকাত শীৰ্ষ স্থান দখল কৰে। ভাৰতে লীগ পৰ্যায়ৰ প্ৰথমখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰক পৰাস্ত কৰাৰ পাছত নামিবিয়াক ৯৩ ৰানত পৰাস্ত কৰে।

একেদৰে ভাৰতে গ্ৰুপ পৰ্যায়ৰ তৃতীয়খন খেলত পাকিস্তানক ৬১ ৰানত আৰু অন্তিমখন খেলত নেডাৰলেণ্ডছক ১৭ ৰানত পৰাস্ত কৰে।

ইয়াৰ বিপৰীতে দক্ষিণ আফ্ৰিকাই কানাডাৰ বিৰুদ্ধে জয়েৰে প্ৰতিযোগিতাত অভিযান আৰম্ভ কৰে। দলটোৱে দ্বিতীয়খন খেলত আফগানিস্তানৰ বিৰুদ্ধে ছুপাৰ অভাৰত বিজয় সাব্যস্ত কৰে। দক্ষিণ আফ্ৰিকাই তৃতীয়খন খেলত নিউজিলেণ্ডক ৭ উইকেটত পৰাভূত কৰি ছুপাৰ এইট পৰ্যায়ত স্থান নিশ্চিত কৰে। দলটোৰ গ্ৰুপ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত ইউ এ ইৰ বিৰুদ্ধে ৬ উইকেটত জয়লাভ কৰে। প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ত ভাৰত, জিম্বাব্ৱে, ৱেষ্ট ইণ্ডিজ আৰু দক্ষিণ আফ্ৰিকাক গ্ৰুপ ৱানত অন্তৰ্ভুক্ত কৰা হৈছে। পাকিস্তান, শ্ৰীলংকা, ইংলেণ্ড আৰু নিউজিলেণ্ডক গ্ৰুপ টুত স্থান দিয়া হৈছে।

প্ৰতিটো দল নিজৰ গ্ৰুপৰ অন্য দলৰ বিৰুদ্ধে তিনিখন খেলত অৱতীৰ্ণ হ'ব। প্ৰতিটো গ্ৰুপৰ শীৰ্ষৰ দুটা দলে ছেমি ফাইনেলত স্থান লাভ কৰিব। ইপিনে, নিউজিলেণ্ড আৰু পাকিস্তানৰ মাজত কালি কলম্বোত হ'বলগীয়া ছুপাৰ এইট পৰ্যায়ৰ প্ৰথমখন খেল বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হয়। ফলত দুয়োটা দলে ১-১ পইণ্টকৈ লাভ কৰে।

ooooo

**সমাপ্ত**